**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 09-06-2026
**Time :** 17-15 Hrs

**ASSAMESE EVEN BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ইউৰোপীয় সংঘৰ ৰাষ্ট্ৰদূতৰ সৈতে গুৱাহাটীত দ্বিপাক্ষিক বৈঠক।

২। ৰাজ্যিক মন্ত্ৰীসভাৰ সদ্য দায়িত্বপ্ৰাপ্ত ১২ গৰাকী মন্ত্ৰীৰ নিজ নিজ বিভাগৰ কাম-কাজ সম্পাদনৰ বাবে তৎপৰতা বৃদ্ধি।

৩। স্বাধীনতা সংগ্ৰামী, জনজাতীয় নেতা ভগৱান বীৰছা মুণ্ডাৰ পূণ্যতিথি উপলক্ষে শ্ৰদ্ধা নিবেদন। *আৰু*

৪। উত্তৰ পূৰ্বাঞ্চলত ৰবৰ উদ্যোগৰ আধুনিকীকৰণ আৰু সম্প্ৰসাৰণৰ লক্ষ্যৰে ৰবৰ বোৰ্ডৰ বিভিন্ন উন্নয়নমূলক কাৰ্যসূচী ৰূপায়ণ।

ooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ইউৰোপীয় সংঘৰ ৰাষ্ট্ৰদূত হাৰৱে ডেলফিনৰ সৈতে গুৱাহাটীত দ্বিপাক্ষিক আলোচনাত মিলিত হয়। এই আলোচনাত ৰাজ্যৰ মুখ্য সচিব ড° ৰবি কোটাৰ লগতে ইউৰোপীয় সংঘৰ প্ৰতিনিধিসকল উপস্থিত থাকে। মুখ্যমন্ত্ৰীয়ে ইউৰোপীয় সংঘৰ প্ৰতিনিধিৰ সৈতে অসমলৈ অহা ভাৰতস্থিত ইউৰোপীয় ব্যৱসায়িক প্ৰতিষ্ঠানসমূহৰ সংঘ - এফ ই বি আই, ইণ্ডিয়াৰ সৈতেও ফলপ্ৰসূ আলোচনাত মিলিত হয়। ইউৰোপৰ ২৫০ টাৰো অধিক প্ৰতিষ্ঠান আৰু ছহেজাৰৰো অধিক ব্যৱসায়িক সংযোগক প্ৰতিনিধিত্ব কৰা এফ ই বি আইৰ সৈতে অংশীদাৰিত্বৰ জৰিয়তে অসমৰ যুৱ শক্তি, কৃষক আৰু মহিলা উদ্যমীসকলৰ বাবে সম্ভাৱনাৰ নতুন দুৱাৰ মুকলি হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। সুদক্ষ মানৱ সম্পদ, উদ্যোগ নীতি আৰু অনুকুল উদগনি নীতিৰ জৰিয়তে অসমে ইতিমধ্যে নৱীকৰণযোগ্য শক্তি, কৃষি প্ৰ-সংস্কৰণকে ধৰি ভৱিষ্যমুখী খণ্ডত বিশ্বমানৰ বিনিয়োগ আৰু উদ্যোগৰ বাবে আকৰ্ষণীয় গন্তব্য স্থান হিচাপে পৰিগণিত হৈছে বুলি ড° শৰ্মাই উল্লেখ কৰে। ইয়াৰ আগেয়ে গুৱাহাটীৰ এখন আগশাৰীৰ হোটেলত ইউৰোপীয় সংঘৰ প্ৰতিনিধিৰ উপস্থিতিত 'ব্লু ভেলিজ ক্লাষ্টাৰ' শীৰ্ষক এখন কৰ্মশালা অনুষ্ঠিত হয়।

এই কৰ্মশালাত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে ইউৰোপীয় সংঘৰ সৈতে অংশীদাৰিত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

বাইট

এই কৰ্মশালাত চুবুৰীয়া দেশ ভূটানৰ প্ৰতিনিধিসকল উপস্থিত থাকে। কৰ্মশালাত মূলতঃ অসম ৰাইজিং – দেশৰ উত্তৰ পূৰ্বাঞ্চলৰ কৌশলগত প্ৰৱেশদ্বাৰ, চাহৰ পৰা ছিপছলৈ ঃ অসমৰ পৰা বিশ্বব্যাপি মূল্যশৃংখলা গঢ়ি তোলা আৰু অসম ২০৩৫ ঃ বিকাশ, উদ্ভাৱন আৰু বহনক্ষম ভৱিষ্যতৰ বাবে যৌথ দৃষ্টিভংগী শীৰ্ষক বিষয়বস্তু সন্দৰ্ভত আলোকপাত কৰা হয়। মুখ্যমন্ত্ৰী ড° শৰ্মাৰ লগতে ইউৰোপীয় সংঘৰ প্ৰতিনিধিসকলে এখন সংবাদমেলো সম্বোধন কৰে। উল্লেখযোগ্য যে এই 'ব্লু ভেলী ক্লাষ্টাৰ'ৰ জৰিয়তে ইউৰোপৰ সৈতে অসমৰ বাণিজ্য শৃংখল গঢ়ি তোলাৰ উদ্যোগ লোৱা হৈছে।

ooooo

ৰাজ্যিক মন্ত্ৰীসভাৰ সদ্য দায়িত্বপ্ৰাপ্ত ১২ গৰাকী মন্ত্ৰীয়ে দায়িত্ব লাভ কৰাৰ পাছতে নিজ নিজ বিভাগৰ কাম-কাজ সম্পাদনৰ বাবে তৎপৰতা আৰম্ভ কৰাৰ লগতে অভিভাৱক মন্ত্ৰীসমূহে সংশ্লিষ্ট জিলাসমূহ ভ্ৰমণ কৰিছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে অনাগত সময়ৰ বাবে শিক্ষা বিভাগৰ কৰ্মসূচী প্ৰস্তুত কৰা সন্দৰ্ভত পৰ্যালোচনা বৈঠকত

মিলিত হয়। তেওঁ শিক্ষকৰ বদলিকৰণ প'ৰ্টেল আৰু শিক্ষা সেঁতুৰ তথ্যও বিশ্লেষণ কৰে। লোকপিয়লৰ বাবে শিক্ষকৰ বদলিকৰণত বিলম্ব হ'ব পাৰে বুলিও ডাঃ পেগুৱে উল্লেখ কৰে।

বাইট

বৰপেটা জিলাৰ অভিভাৱক মন্ত্ৰীৰ দায়িত্ব লাভ কৰাৰ পাছত ৰাজ্যৰ সামাজিক ন্যায় আৰু সৰলিকৰণ, ভূমি সংৰক্ষণ আদি বিভাগৰ মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰ জিলাখনত উপস্থিত হয়। মন্ত্ৰীগৰাকীয়ে জিলাখনৰ সম্ভাব্য বান পৰিস্থিতি পৰ্যালোচনা কৰাৰ লগতে আগতীয়াকৈ ল'বলগীয়া ব্যৱস্থা সন্দৰ্ভত জিলা প্ৰশাসনৰ বিষয়ববীয়াসকলৰ সৈতে আলোচনাত মিলিত হয়। তেওঁ ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰতো সেৱা জনায়। সাংবাদিকৰ আগত মন্ত্ৰীগৰাকীয়ে অনাগত দিনত বৰপেটাৰ উন্নয়নৰ বাবে মুখ্যমন্ত্ৰীৰ পৰামৰ্শমৰ্মে কাম কৰি যাব বুলি জানিবলৈ দিয়ে। ইয়াৰ বাবে তেওঁ ৰাইজৰ সহায়-সহযোগিতা বিচাৰে। শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ অভিভাৱক মন্ত্ৰী বিমল বৰাই জিলা প্ৰশাসনৰ সৈতে পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰি জিলাখনৰ বিভিন্ন সমস্যা আৰু উন্নয়নমূলক কাম-কাজৰ অগ্ৰগতিৰ বুজ লৈছে। বৈঠকৰ পাছত সংবাদমেলত মন্ত্ৰীগৰাকীয়ে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ আঁচনিসমূহ দ্ৰুত আৰু দায়িত্বশীলভাৱে ৰূপায়ণ কৰিবলৈ জিলা প্ৰশাসনক আহ্বান জনায়।

00000

বিগত বিধানসভা নিৰ্বাচনত ভোটদাতাসকলক আকৰ্ষিত কৰাৰ বাবে নগাওঁ জিলা আয়ুক্তৰ উদ্যোগত আয়োজিত আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰ প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰা হৈছে। জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত আদৰ্শ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ জৰিয়তে এই প্ৰতিযোগিতাৰ আয়োজন কৰিছিল। প্ৰতিযোগিতাৰ বিষয়বস্তু আছিল **আপোনাৰ ভোট আপোনাৰ অধিকাৰ ইয়াক অপচয় নকৰিব**। আজি ঘোষিত ফলাফল অনুসৰি ৰূপহীহাট সমষ্টিৰ মাধুৰী বালিকা মোক্তাবে প্ৰথম স্থান লাভ কৰিছে। আলিটঙানী ওচমানিয়া বিদ্যালয়ে দ্বিতীয় আৰু জুৰিয়া উচ্চ মাধ্যমিক বিদ্যালয়ে তৃতীয় স্থান লাভ কৰিছে। কলিয়াবৰ সমষ্টিত আমবাগান উচ্চ মাধ্যমিক বিদ্যালয়ে প্ৰথম, দক্ষিণ খলিহামাৰী বিদ্যালয়ে দ্বিতীয় আৰু দক্ষিণ লাইলুৰি প্ৰাথমিক বিদ্যালয়ে তৃতীয় স্থান লাভ কৰিছে। চামগুৰি সমষ্টিৰ বি চি দাস কানুৰামাৰী মজলীয়া বিদ্যালয়ে প্ৰথম, সোণালীবালি বালিকা প্ৰাথমিক বিদ্যালয়ে দ্বিতীয় সোণালীবালি প্ৰাথমিক বিদ্যালয়ে তৃতীয় স্থান লাভ কৰিছে। নগাওঁৰ বটদ্ৰবা সমষ্টিৰ এছ্ এছ্ এছ্ হাইস্কুলে প্ৰথম, কিৰণবালা গোস্বামী বালিকা বিদ্যাপীঠে দ্বিতীয় আৰু নগাওঁ বঙালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ে তৃতীয় স্থান লাভ কৰিছে। ৰহা সমষ্টিত পি এম শ্ৰী, বাৰপুজীয়া চৰকাৰী মজলীয়া বিদ্যালয়ে প্ৰথম, বাৰপুজীয়া উচ্চ মাধ্যমিকে দ্বিতীয় আৰু ৰহা মজলীয়া বিদ্যালয়ে তৃতীয় স্থান লাভ কৰিছে।

00000

স্বাধীনতা সংগ্ৰামী, জনজাতীয় নেতা ভগৱান বীৰছা মুণ্ডাৰ পূণ্যতিথি উপলক্ষে আজি শ্ৰদ্ধা নিবেদন কৰা হৈছে। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে বীৰছা মুণ্ডাৰ পূণ্য তিথি উপলক্ষে শ্ৰদ্ধা নিবেদন কৰি দিয়া বাৰ্তাত তেওঁৰ আদৰ্শই সামাজিক ন্যায় লাভ আৰু সৰ্বাত্মক উন্নয়নৰ ক্ষেত্ৰত সমাজক সদায় দিক নিৰ্দেশ কৰি থাকিব বুলি উল্লেখ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী ৰাধাকৃষ্ণনে কয়, যে বীৰছা মুণ্ডাৰ জীৱনে সাহস, আত্মসন্মান আৰু ন্যায়ৰ হকে আপোচহীন মনোভাৱেৰে কৰা সংগ্ৰামকে প্ৰতিফলিত কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পূণ্যতিথি উপলক্ষে ধৰতি আবা ভগৱান বীৰছা মুণ্ডাৰ ত্যাগ আৰু সংগ্ৰামী জীৱনক শ্ৰদ্ধাৰে স্মৰণ কৰে। তেওঁ কয়, যে এইগৰাকী মহান ব্যক্তিয়ে ওৰে জীৱন জনজাতীয় সমাজৰ স্বাভিমান, সংস্কৃতি আৰু অধিকাৰ ৰক্ষাৰ বাবে কাম কৰি গৈছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে বীৰছা মুণ্ডাৰ মৃত্যু বাৰ্ষিকী উপলক্ষে নেতাগৰাকীলৈ গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ বাৰ্তা যোগে তেওঁ কয়, যে উলগুলান আন্দোলনৰ মাধ্যমেৰে বীৰছা মুণ্ডাই ব্ৰিটিছ শাসকৰ বিৰুদ্ধে স্বাধীনতাৰ ৰণশিঙা বজাইছিল। বীৰছা মুণ্ডাক জনজাতীয় গৌৰৱ, দেশপ্ৰেম আৰু সাংস্কৃতিক সচেতনতাৰ অমৰ প্ৰতীক স্বৰূপ বুলি অভিহিত কৰি শ্ৰীশ্বাহে কয়, যে এইজন নেতাৰ সংগ্ৰামৰ কাহিনী আজিও লক্ষ লক্ষ জনতাৰ বাবে বহু প্ৰেৰণাৰ উৎস হৈ আছে।

কংগ্ৰেছ দলৰ নেতা ৰাহুল গান্ধীয়েও পূণ্য তিথি উপলক্ষে বীৰছা মুণ্ডাৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰিছে। খিলঞ্জীয়া লোকৰ অধিকাৰ ৰক্ষাৰ ক্ষেত্ৰত এইজনা নেতাৰ সংগ্ৰাম আৰু ত্যাগৰ তুলনা নাই বুলি তেওঁ উল্লেখ কৰে। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বীৰছা মুণ্ডাৰ পূণ্যতিথি উপলক্ষে শ্ৰদ্ধা নিবেদন কৰিছে। তেওঁ কয়, যে অন্যায়ৰ বিৰুদ্ধে সংগ্ৰাম জনজাতীয় গৌৰৱ আৰু ৰাষ্ট্ৰসেৱাৰ অদ্বিতীয় উদাহৰণ হিচাপে বীৰছা মুণ্ডা চিৰস্মৰণীয় হৈ আছে।

০০০০০

উত্তৰ পূৰ্বাঞ্চলত ৰবৰ উদ্যোগৰ আধুনিকীকৰণ আৰু সম্প্ৰসাৰণৰ লক্ষ্যৰে ৰবৰ বোৰ্ডে বিভিন্ন উন্নয়নমূলক কাৰ্যসূচী ৰূপায়ণ কৰিছে। গুৱাহাটীৰ এখন হোটেলত এই সন্দৰ্ভত আজি  কেন্দ্ৰীয় চৰকাৰৰ বাণিজ্য বিভাগৰ যুটীয়া সচিব শ্ৰীমতী কপিল চৌধুৰী আৰু ৰবৰ বোৰ্ডৰ কাৰ্যবাহী সঞ্চালক শ্ৰী এম বসন্তগেছনে এখন সংবাদ মেল সম্বোধন কৰে। বহল পৰিসৰত ৰবৰ খেতিৰ সম্প্ৰসাৰণ, আন্তঃগাথনি উন্নয়ন, দক্ষতা বিকাশ আৰু মূল্য সংযোজিত উদ্যোগৰ প্ৰচাৰৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে বুলি বিষয়াদ্বয়ে সংবাদমেলত জানিবলৈ দিয়ে। অসম, নাগালেণ্ড আৰু মেঘালয়ৰ বিভিন্ন প্ৰান্তত ১৭ টা আধুনিক গোট প্ৰক্ৰিয়াকৰণ কেন্দ্ৰ স্থাপন কৰা হৈছে। এই কেন্দ্ৰসমূহৰ জৰিয়তে দুৰ্গম আৰু জনজাতীয় এলেকাসমূহত তৃণমূল পৰ্যায়ত প্ৰক্ৰিয়াকৰণ আন্তঃগাথনি শক্তিশালী কৰিব পৰা যাব। নতুনকৈ স্থাপিত এই কেন্দ্ৰসমূহত অত্যাধুনিক ধোঁৱা ঘৰ, শুকুওৱাৰ ব্যৱস্থা, স্বাস্থ্যসন্মত প্ৰক্ৰিয়াকৰণ সুবিধা আৰু উন্নত মানৰ **ৰিবড স্মকড্ শ্বীট** উৎপাদনৰ সুবিধা সুনিশ্চিত কৰা হৈছে। প্ৰতিটো কেন্দ্ৰৰ নিৰ্মাণৰ বাবদ ৪০ লাখ টকাকৈ আৰ্থিক অনুদান আগবঢ়োৱা হৈছে। এই কেন্দ্ৰসমূহে ৰবৰৰ গুণাগুণ উন্নত কৰাৰ লগতে কৃষকৰ লোকচানো হ্ৰাস কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে। লগতে বজাৰত বিক্ৰীৰ যোগ্যতা বৃদ্ধি, সমবায় বিপনন ব্যৱস্থা শক্তিশালী কৰা আৰু জনজাতীয় তথা ক্ষুদ্ৰ ৰবৰ খেতিয়কসকলক সৰলীকৰণ কৰি গ্ৰাম্য নিয়োগৰ সুযোগ সৃষ্টি কৰিব বুলি ৰবৰ বোৰ্ডৰ কাৰ্যবাহী সঞ্চালক শ্ৰী এম বসন্তগেছনে জানিবলৈ দিয়ে। ০০০

০০০০০

ঃঃ সমাপ্ত ঃঃ